Prepp

Practice, Learn and Achieve Your Goal with Prepp

# UGC NET Exam

## Assamese


Simplifying **Government Exams**

SSC CHSL | IAS EXAM | RRB NTPC | NTSE | CDS
SSC CGL | CBSE UGC NET | IBPS PO | NDA
SBI PO | IBPS CLERK | AFCAT | SSC JE | CTET
CSIR UGC NET | CAPF | IBPS RRB

www.prepp.in

# PAPER-II
# ASSAMESE

**Signature and Name of Invigilator**

1. (Signature) ____________________________
   (Name) ____________________________
2. (Signature) ____________________________
   (Name) ____________________________

| J | 3 | 6 | 1 | 3 |
|---|---|---|---|---|

OMR Sheet No. : ...........................................
(To be filled by the Candidate)

Roll No. | | | | | | | | |
(In figures as per admission card)

Roll No.____________________________
(In words)

Time : **1 $^{1}/_{4}$** hours] [Maximum Marks : **100**

Number of Pages in this Booklet : **12**

Number of Questions in this Booklet : **50**

## Instructions for the Candidates

1. Write your roll number in the space provided on the top of this page.
2. This paper consists of fifty multiple-choice type of questions.
3. At the commencement of examination, the question booklet will be given to you. In the first 5 minutes, you are requested to open the booklet and compulsorily examine it as below :
   (i) To have access to the Question Booklet, tear off the paper seal / polythene bag on the booklet. Do not accept a booklet without sticker-seal / without polythene bag and do not accept an open booklet.
   (ii) **Tally the number of pages and number of questions in the booklet with the information printed on the cover page. Faulty booklets due to pages/questions missing or duplicate or not in serial order or any other discrepancy should be got replaced immediately by a correct booklet from the invigilator within the period of 5 minutes. Afterwards, neither the Question Booklet will be replaced nor any extra time will be given.**
   (iii) After this verification is over, the OMR Sheet Number should be entered on this Test Booklet.
4. Each item has four alternative responses marked (A), (B), (C) and (D). You have to darken the circle as indicated below on the correct response against each item.
   **Example :** (A) (B) ● (D)
   where (C) is the correct response.
5. Your responses to the items are to be indicated in the **OMR Sheet given inside the Paper I Booklet only.** If you mark at any place other than in the circle in the OMR Sheet, it will not be evaluated.
6. Read instructions given inside carefully.
7. Rough Work is to be done in the end of this booklet.
8. If you write your Name, Roll Number, Phone Number or put any mark on any part of the OMR Sheet, except for the space allotted for the relevant entries, which may disclose your identity, or use abusive language or employ any other unfair means, you will render yourself liable to disqualification.
9. You have to return the original OMR Sheet to the invigilators at the end of the examination compulsorily and must not carry it with you outside the Examination Hall. You are however, allowed to carry duplicate copy of OMR Sheet on conclusion of examination.
10. **Use only Blue/Black Ball point pen.**
11. **Use of any calculator or log table etc., is prohibited.**
12. **There is no negative marks for incorrect answers.**

## परीक्षार्थियों के लिए निर्देश

1. पहले पृष्ठ के ऊपर नियत स्थान पर अपना रोल नम्बर लिखिए ।
2. इस प्रश्न-पत्र में पचास बहुविकल्पीय प्रश्न हैं ।
3. परीक्षा प्रारम्भ होने पर, प्रश्न-पुस्तिका आपको दे दी जायेगी । पहले पाँच मिनट आपको प्रश्न-पुस्तिका खोलने तथा उसकी निम्नलिखित जाँच के लिए दिये जायेंगे, जिसकी जाँच आपको अवश्य करनी है :
   (i) प्रश्न-पुस्तिका खोलने के लिए पुस्तिका पर लगी कागज की सील / पोलिथीन बैग को फाड़ लें । खुली हुई या बिना स्टीकर-सील / बिना पोलिथीन बैग की पुस्तिका स्वीकार न करें ।
   (ii) **कवर पृष्ठ पर छपे निर्देशानुसार प्रश्न-पुस्तिका के पृष्ठ तथा प्रश्नों की संख्या को अच्छी तरह चैक कर लें कि ये पूरे हैं । दोषपूर्ण पुस्तिका जिनमें पृष्ठ/प्रश्न कम हों या दुबारा आ गये हों या सीरियल में न हों अर्थात् किसी भी प्रकार की त्रुटिपूर्ण पुस्तिका स्वीकार न करें तथा उसी समय उसे लौटाकर उसके स्थान पर दूसरी सही प्रश्न-पुस्तिका ले लें । इसके लिए आपको पाँच मिनट दिये जायेंगे । उसके बाद न तो आपकी प्रश्न-पुस्तिका वापस ली जायेगी और न ही आपको अतिरिक्त समय दिया जायेगा ।**
   (iii) इस जाँच के बाद OMR पत्रक की क्रम संख्या इस प्रश्न-पुस्तिका पर अंकित कर दें ।
4. प्रत्येक प्रश्न के लिए चार उत्तर विकल्प (A), (B), (C) तथा (D) दिये गये हैं । आपको सही उत्तर के वृत्त को पेन से भरकर काला करना है जैसा कि नीचे दिखाया गया है ।
   **उदाहरण :** (A) (B) ● (D) जबकि (C) सही उत्तर है ।
5. प्रश्नों के उत्तर **केवल प्रश्न पत्र I के अन्दर दिये गये OMR पत्रक पर ही** अंकित करने हैं । यदि आप OMR पत्रक पर दिये गये वृत्त के अलावा किसी अन्य स्थान पर उत्तर चिह्नांकित करते हैं, तो उसका मूल्यांकन नहीं होगा ।
6. अन्दर दिये गये निर्देशों को ध्यानपूर्वक पढ़ें ।
7. कच्चा काम (Rough Work) इस पुस्तिका के अन्तिम पृष्ठ पर करें ।
8. यदि आप OMR पत्रक पर नियत स्थान के अलावा अपना नाम, रोल नम्बर, फोन नम्बर या कोई भी ऐसा चिह्न जिससे आपकी पहचान हो सके, अंकित करते हैं अथवा अभद्र भाषा का प्रयोग करते हैं, या कोई अन्य अनुचित साधन का प्रयोग करते हैं, तो परीक्षा के लिये अयोग्य घोषित किये जा सकते हैं ।
9. आपको परीक्षा समाप्त होने पर मूल OMR पत्रक निरीक्षक महोदय को लौटाना आवश्यक है और परीक्षा समाप्ति के बाद उसे अपने साथ परीक्षा भवन से बाहर न लेकर जायें । हालांकि आप परीक्षा समाप्ति पर OMR पत्रक की डुप्लीकेट प्रति अपने साथ ले जा सकते हैं ।
10. **केवल नीले/काले बाल प्वाईंट पेन का ही इस्तेमाल करें ।**
11. **किसी भी प्रकार का संगणक (कैलकुलेटर) या लाग टेबल आदि का प्रयोग वर्जित है ।**
12. **गलत उत्तरों के लिए कोई अंक काटे नहीं जाएँगे ।**




Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

# ASSAMESE

## অসমীয়া

## Paper – II

## প্ৰশ্নকাকত– II

**Note :** This paper contains **fifty (50)** objective type questions, each question carrying **two (02)** marks. Attempt **all** the questions.

**টোকা :** এই প্ৰশ্ন কাকতত বহু বিকল্পীয় **(৫০) (পঞ্চাছ)** টা প্ৰশ্ন আছে । প্ৰতিটো প্ৰশ্নৰ মূল্যাংক **দুই (২)** । উত্তৰ পত্ৰত শুদ্ধ উত্তৰটো চিহ্নিত কৰা । সকলো প্ৰশ্নৰ উত্তৰ লিখিবা ।

তলৰ **1**ৰ পৰা **20** লৈ দিয়া প্ৰতিটো প্ৰশ্নৰ তলত (A), (B), (C), (D) চাৰিটা বিকল্প উত্তৰ দিয়া হৈছে । তাৰ মাজৰ পৰা শুদ্ধ উত্তৰটো বাছি উলিওৱা ।

**1.** বৰ্ত্তমানৰ অসমীয়া সাহিত্য কিমান বছৰৰ ক্ৰম-পৰিণতিৰ ফল ?

(A) পাঁচশ বছৰৰ

(B) এহেজাৰ বছৰৰ

(C) ডেৰহাজাৰ বছৰৰ

(D) দুহাজাৰ বছৰৰ

**2.** প্ৰাচীন সংস্কৃত সাহিত্যত উল্লেখিত কিৰাতসকল তলত নাম দিয়া কোন মানৱগোষ্ঠীৰ অন্তৰ্ভুক্ত ?

(A) আৰ্য (B) দ্ৰাবিড়

(C) মঙ্গোলীয় (D) নেগ্ৰিটো

**3.** প্ৰসিদ্ধ চীন পৰিব্ৰাজক হিউৱেন ছাঙে তেওঁৰ ভ্ৰমণ বিৱৰণত কামৰূপৰ ভাষা ভাৰতৰ কোন অঞ্চলৰ ভাষাৰপৰা কিছু পৃথক বুলি মন্তব্য কৰিছে ?

(A) উত্তৰ ভাৰতৰ

(B) পশ্চিম ভাৰতৰ

(C) দক্ষিণ ভাৰতৰ

(D) মধ্য ভাৰতৰ

**4.** হৰপ্ৰসাদ শাস্ত্ৰীয়ে নেপাল ৰাজদৰবাৰৰ সংগ্ৰহালয়ৰ পৰা মুঠতে কেইখন পুথি সংগ্ৰহ কৰি আনি প্ৰকাশ কৰিছিল ?

(A) দুখন (B) তিনিখন

(C) চাৰিখন (D) পাঁচখন

**5.** কোন পন্থৰ সিদ্ধাচাৰ্যসকলে নৈৰাত্মাদেৱীৰ কল্পনা কৰিছিল ?

(A) মহাযানী (B) সহজযানী

(C) বজ্ৰযানী (D) হীনযানী

**6.** 'কথা ৰামায়ণ'ৰ আধাৰ গ্ৰন্থ হ'ল

(A) মাধৱ কন্দলিৰ ৰামায়ণ

(B) সংস্কৃত ৰামায়ণ

(C) কৃত্তিবাসী ৰামায়ণ

(D) ওপৰৰ এখনো নহয়

**7.** তলৰ কোন সংহতিৰ মতত গুৰুৰ প্ৰাধান্য আৰু বৰ্ণভেদৰ নিকপ্ৰকপীয়া প্ৰথাৰ বিৰোধিতাই স্থান পাইছে ?

(A) পুৰুষ সংহতি (B) নিকা সংহতি

(C) কাল সংহতি (D) ব্ৰহ্ম সংহতি

**8.** ৰধ কাব্যবোৰক ইউৰোপীয় সাহিত্যৰ মধ্যযুগীয় ৰোমান্সৰ লগত তলৰ কোনগৰাকী পণ্ডিতে তুলনা কৰিছে ?

(A) বিৰিঞ্চি কুমাৰ বৰুৱা

(B) বাণীকান্ত কাকতি

(C) ডিম্বেশ্বৰ নেওগ

(D) সত্যেন্দ্ৰনাথ শৰ্মা



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

9. ‘ব্ৰহ্মবৈৱৰ্ত পূৰাণ’, ‘গীত গোবিন্দ’, ‘শঙ্খচূড়-বধ’, ‘শকুন্তলা’, ‘ভাস্বতী’ আদি গ্ৰন্থৰ ৰচয়িতা কোন ?
(A) ৰঘুনাথ মহন্ত
(B) কবিচন্দ্ৰ দ্বিজ
(C) কবিৰাজ চক্ৰৱৰ্তী
(D) কবীন্দ্ৰ পাত্ৰ

10. ‘Descriptive catalogue of Assamese Manuscripts’ গ্ৰন্থখনৰ লেখক কোন ?
(A) কালীৰাম মেধি (B) বেনুধৰ শৰ্মা
(C) সূৰ্যকুমাৰ ভূঞা (D) হেমচন্দ্ৰ গোস্বামী

11. বুৰঞ্জী, কাৰেং, মাইহাং, হেংদান, ৰংঘৰ, বান (-বাটি, -কাঁহী) – এই শব্দবোৰ কোন ভাষাৰ পৰা আহিছে ?
(A) অষ্ট্ৰিক (B) টাই
(C) ভোট-বৰ্মী (D) ফাৰ্চী

12. তলৰ কোনটো তিৱাসকলে উদ্‌যাপন কৰা উৎসৱ ?
(A) হাচাকেকান
(B) লাংখন
(C) বাইখু
(D) আলি আই-লৃগাং


13. তলৰ কোনজন আহোম ৰজা “বামুণী কোঁৱৰ” হিচাপেও পৰিচিত আছিল ?
(A) চুকাফা (B) চুহুংমুং
(C) চুৰম্‌ফা (D) চুডাংফা

14. তলৰ কোনজন আহোম ৰজাই ‘দেশীয় ভাষাত ‘কীচক-বধ’ নামে এখনি নাটক ৰচনা কৰি কবি চূড়ামণি উপাধিৰে বিভূষিত হৈছিল ?
(A) ৰুদ্ৰসিংহ (B) শিৱসিংহ
(C) প্ৰমত্তসিংহ (D) ৰাজেশ্বৰ সিংহ

15. তলত দিয়া মোহৰটো কোন ৰজাই ব্যৱহাৰ কৰিছিল ?



(A) কছাৰী (B) কোচ
(C) আহোম (D) মোগল

16. 

ওপৰৰ ছবিখনৰ কাঁড় দি দেখুৱা খুটাটোৰ নাম কি ?
(A) মাৰলি (B) মূধৰ খুটা
(C) বহিখোৱা (D) কুমৰ খুটা

17. বৰদৈয়া, সৰুদৈয়া, পানী, টুপী, হালোৱা আদি তলৰ কোনবিধ থলুৱা ব্যৱহাৰ্য সামগ্ৰীৰ বিভিন্ন প্ৰকাৰ ?
(A) হাঁচতি (B) জাপি
(C) আঙঠি (D) আসন

18. ‘প্ৰিয়তমাৰ চিঠি’ চনেটটো কোন আহিঁৰ চনেট ?
(A) পেট্ৰাৰ্কীয় (B) ছেক্সপীয়েৰীয়
(C) ফৰাচী (D) ৰাবীন্দ্ৰিক



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

**19.** তলৰ কোনটো ফকৰা 'গুৰুচৰিত কথা'ত পোৱা যায় ?

(A) বাৰ হাত জালৰ তেৰহাত ফটা,
ভাল মাৰিলি বাপৰ বেটা,
ৰৌ, বৰালি সৰকি গ'ল,
পুঠি-খলিহনা পাহে পাহে ৰ'ল ।

(B) পশু নকৰিবা শৰ, মৰাও নানিবা জীয়াও নানিবা, শুদা হাতে নপশিবা ঘৰ ।

(C) দশমৰ পদ মইহে কৰিছোনে তয়ো কৰিছ ।

(D) হস্তীৰ পেটত সাত কলহ পানী; শূৰতও এককলহ ।

**20.** জিকিৰ গীতবোৰৰ ৰচক হিচাপে তলৰ কোন জনক জনা যায় ?

(A) শ্বাহ মিলন

(B) আব্দুল মালিক

(C) মফিজুদ্দিন আহমদ হাজৰিকা

(D) চান্দসাই

তলৰ **21**-ৰ পৰা **25**-লৈ থকা প্ৰশ্নসমূহত দিয়া প্ৰতিটো মন্তব্য যুক্তিৰে বিশ্লেষণ কৰি বা কাৰ্যকাৰণ নিৰ্ণয় কৰি (A), (B), (C), (D) চাৰিটা বিকল্প উত্তৰ দিয়া হৈছে । তাৰ মাজৰ পৰা শুদ্ধ উত্তৰটো চিহ্নিত কৰা :

**21.** আন দিনা বলি দেখো গৰ্ভ যায় গলি ।
আজি দেখো বলি গোটা হাসে খলখলি ।।
উদ্ধৃত পংক্তিটোত কোন প্ৰকাৰ অলঙ্কাৰৰ প্ৰয়োগ হৈছে ?

(A) বিৰোধ (B) ব্যাজোক্তি

(C) বিষম (D) নিদৰ্শনা

**22.** "বাস্তৱবাদী সাহিত্যত ভাববিলাস নাই ।"
এই কথাষাৰৰ পৰা বুজিব পাৰি :

(A) বাস্তৱবাদী সাহিত্য ভাববিলাসৰ প্ৰাচুৰ্যৰ পৰা মুক্ত ।

(B) বাস্তৱবাদী সাহিত্যৰ ভাবচিন্তা আৰু প্ৰকাশ পোনপটীয়া তথা স্পষ্ট ।

(C) বাস্তৱবাদী সাহিত্যৰ দৰ্শন পৰিৱেশৰ ওপৰত নিৰ্ভৰ কৰে ।

(D) বাস্তৱবাদী সাহিত্যৰ দৃষ্টিভঙ্গী সমালোচনামূলক ।

**23.** কৃষ্ণৰ কথাত যিটো ৰসিক ।
ব্ৰাহ্মণ-জন্ম তাক লাগে কিক ।।
স্মৰোক মাত্ৰ হৰি দিনে ৰাতি ।
নবাছে ভকতি জাতি-অজাতি ।।

(A) কৃষ্ণ-ভক্ত, হ'বলৈ ব্ৰাহ্মণকুলত জন্ম লব নালাগে । কৃষ্ণক দিনে ৰাতিয়ে স্মৰণ কৰাই তেওঁৰ উপাসনা । হৰি ভকতিত জাতবিচাৰ নাই ।

(B) কৃষ্ণ-কথাত প্ৰভূত ৰস আছে । সেই বসৰ ৰসিক জনে ব্ৰাহ্মণ জন্ম পায় । তেওঁ দিনে ৰাতিয়ে হৰিক স্মৰণ কৰি থাকে । জাতি-অজাতি ভেদ ভাব তেওঁৰ মনত স্পষ্ট ।

(C) যিজনে কৃষ্ণক উপাসনা কৰিব বিচাৰে তেওঁ ব্ৰাহ্মন কূলত জন্ম লব লাগে । কাৰণ জাত বিচাৰ কৰিহে কৃষ্ণই ভক্তক আশীৰ্বাদ কৰে ।

(D) ব্ৰাহ্মণকুলত জন্ম নহ'লে কৃষ্ণভক্ত হ'ব নোৱাৰি । ব্ৰাহ্মণসকলে দিনে ৰাতিয়ে কৃষ্ণ-নাম লৈ থাকে । নীচ কুলৰ মানুহৰ কৃষ্ণ-ভক্ত হোৱাৰ যোগ্যতা নাই ।

**24.** টোপনিত মই দেখিলোঁ সপোন
ই জীৱন মাথো সৌন্দৰ্য খেলা;
সাৰ পাই উঠি দেখিলোঁ আগত
সংসাৰ কঠিন কৰ্তব্য মেলা ।
উদ্ধৃত কাব্যাংশ ৰচিত হোৱা ছন্দটোৰ নাম -

(A) দুলড়ী (B) ছবি

(C) লেছাৰি (D) ঝুনা

**25.** 'অসমীয়া ভাষাত স্বৰধ্বনিৰ অনুনাসিকতা বিশিষ্টধ্বনি ' ।

(A) অসমীয়া ভাষাত সকলো স্বৰ-ধ্বনিৰ অনুনাসিক ।

(B) বিশিষ্টধ্বনিবোৰ অসমীয়া ভাষাত অনুনাসিক ।

(C) অনুনাসিকতা অনুসৰি শব্দৰ অৰ্থৰ তাৰতম্য ঘটে ।

(D) অনুনাসিকতা স্বৰ ধ্বনিৰ এটি বৈশিষ্ট্য ।



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

তলৰ **26**ৰ পৰা **30**-লৈ দিয়া প্ৰতিটো প্ৰশ্নৰ উত্তৰত (A), (B), (C), (D) চাৰিটা বিকল্প দিয়া হৈছে । উত্তৰ পত্ৰত এই চাৰিটা বিকল্পৰ মাজৰপৰা একোটা শুদ্ধ জোঁট (combination) বাছি চিহ্নিত কৰা ।

**26.** (I) স্নেহৰ অৰুনাচল : মাই হিলছ ছ' ষ্ট্ৰং
(II) মাজত মাথো হিমালয়
(III) ভাৱৰৰ সিপাৰে ধুনীয়া দেশ
(IV) কাবেৰীৰ পাৰে পাৰে

মহেশ্বৰ নেওগ ৰচিত গ্ৰন্থৰ থূল :

(A) (I) আৰু (IV)
(B) (I) আৰু (III)
(C) (II) আৰু (IV)
(D) (III) আৰু (IV)

**27.** একাধাৰে নাট্যকাৰ আৰু অনুবাদক হিচাপে খ্যাতি অৰ্জন কৰা দুজন লেখকৰ থূল :

(I) নবীন চন্দ্ৰ বৰদলৈ
(II) পদ্মনাথ গোহাঞি বৰুৱা
(III) দুৰ্গেশ্বৰ শৰ্মা
(IV) দণ্ডিনাথ কলিতা

(A) (I) আৰু (III)
(B) (II) আৰু (IV)
(C) (III) আৰু (IV)
(D) (II) আৰু (III)

**28.** জীৱনী আৰু আত্মজীৱনী লেখক হিচাপে খ্যাতি থকা দুজন লেখকৰ থূল :

(I) প্ৰফুল্লদত্ত গোস্বামী
(II) লক্ষ্মীনাথ বেজবৰুৱা
(III) অম্বিকাগিৰী ৰায়চৌধুৰী
(IV) পদ্মধৰ চলিহা

(A) (III) আৰু (IV)
(B) (I) আৰু (III)
(C) (II) আৰু (III)
(D) (I) আৰু (II)

**29.** প্ৰাচীন শিৱদ'ল থকা দুখন স্থানৰ থূল :

(I) গড় গাঁও (II) নেঘেৰিটিং
(III) চৰাইদেউ (IV) বিশ্বনাথ

(A) (I) আৰু (II)
(B) (II) আৰু (IV)
(C) (III) আৰু (IV)
(D) (II) আৰু (III)

**30.** টাইজনগোষ্ঠীৰ দুটা ঠালৰ গোট :

(I) ফাকিয়াল (II) মিচিং
(III) টুৰুং (IV) তিৱা

(A) (I) আৰু (IV)
(B) (II) আৰু (III)
(C) (I) আৰু (III)
(D) (III) আৰু (IV)

**31**-ৰ পৰা **45**-লৈ দিয়া প্ৰশ্নসমূহৰ 'ক' স্তম্ভত দিয়া বিষয়ৰ লগত সম্পৰ্ক থকা 'খ' স্তম্ভত দিয়া বিষয়সমূহ মিলাই (A), (B), (C), (D) এই চাৰিটা বিকল্প দেখুওৱা হৈছে । তাৰে পৰা শুদ্ধ বিকল্পটো চিহ্নিত কৰা ।

**31.**

| **'ক' স্তম্ভ** | **'খ' স্তম্ভ** |
|---|---|
| a. কুমৰ হৰণ | i. লক্ষ্মীনাথ |
| b. কুমাৰ হৰণ | ii. কালিদাস |
| c. কুমৰ হৰণ নাট | iii. অনন্ত কন্দলি |
| d. কুমাৰ সম্ভৱ | iv. ৰুচিদেৱ |

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | iii | ii | iv |
| (B) | iv | i | iii | ii |
| (C) | iii | iv | i | ii |
| (D) | ii | i | iii | iv |



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

**32.** ‘ক’ স্তম্ভ — ‘খ’ স্তম্ভ

a. চিন্তাকলি — i. ভোলানাথ দাস

b. চিন্তা তৰঙ্গ — ii. নীলমণি ফুকন

c. চিন্তা তৰঙ্গিনী — iii. সত্যনাথ বৰা

d. চিন্তামণি — iv. কমলাকান্ত ভট্টাচাৰ্য

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | iv | i | iii |
| (B) | i | iii | ii | iv |
| (C) | iv | i | iii | ii |
| (D) | ii | iii | iv | i |

**33.** ‘ক’ স্তম্ভ — ‘খ’ স্তম্ভ

a. মাইহাং — i. সাঁচনৰ পাত্ৰ

b. জাংফাই — ii. বাহন

c. জপা — iii. বাচন

d. খাটোলা — iv. অলঙ্কাৰ

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | ii | i | iv |
| (B) | i | ii | iv | iii |
| (C) | iii | iv | i | ii |
| (D) | iii | i | ii | iv |

**34.** ‘ক’ স্তম্ভ — ‘খ’ স্তম্ভ

a. কৃৎ প্ৰত্যয় — i. প্ৰাতিপদিকৰ পাছত যোগ হোৱা প্ৰত্যয়

b. স্বাৰ্থিক প্ৰত্যয় — ii. যিবোৰ শব্দৰ পাছত বচন, লিঙ্গবাচক প্ৰত্যয় বা শব্দবিভক্তি যোগ নহয়

c. তদ্ধিত প্ৰত্যয় — iii. ধাতুৰ পাছত যোগ হোৱা প্ৰত্যয়

d. অব্যয় — iv. প্ৰাতিপদিকৰ লগত যোগ হয় যদিও এই প্ৰত্যয়ৰ যোগত প্ৰাতিপদিকৰ অৰ্থৰ পৰিবৰ্তন নহয়

| | a | b | c | d |
|---|---|---|---|---|
| (A) | i | iv | iii | ii |
| (B) | iv | ii | i | iii |
| (C) | ii | i | iv | iii |
| (D) | iii | iv | i | ii |

**35.** ‘ক’ স্তম্ভ — ‘খ’ স্তম্ভ

a. মালিনী থান — i. বগৰীবাৰী

b. মহামায়া থান — ii. সৰভোগ

c. চিকুন আতাৰ থান — iii. বোকাখাত

d. গৰখীয়া থান — iv. লিকাবালি

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | iv | ii | i |
| (B) | iv | i | iii | ii |
| (C) | ii | iii | i | iv |
| (D) | iv | ii | i | iii |

**36.** ‘ক’ স্তম্ভ — ‘খ’ স্তম্ভ

a. নিবাৰণ ভট্টাচাৰ্য — i. মহেন্দ্ৰকুমাৰ বৰঠাকুৰ

b. বাঘ — ii. বসন্ত শইকীয়া

c. জন্ম — iii. অৰুণ শৰ্মা

d. মানুহ আৰু অসুৰ — iv. হিমেন বৰঠাকুৰ

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iv | iii | ii | i |
| (B) | i | iv | iii | ii |
| (C) | iii | iv | i | ii |
| (D) | ii | i | iv | iii |

**37.** ‘ক’ স্তম্ভ — ‘খ’ স্তম্ভ

a. ১৮৬৪ — i. পদ্মনাথ গোহাঞি বৰুৱা

b. ১৮৬৭ — ii. হেমচন্দ্ৰ গোস্বামী

c. ১৮৭১ — iii. লক্ষ্মীনাথ বেজবৰুৱা

d. ১৮৭২ — iv. চন্দ্ৰকুমাৰ আগৰৱালা

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | i | iv | ii |
| (B) | ii | i | iii | iv |
| (C) | iii | iv | i | ii |
| (D) | iv | ii | iii | i |

Prepp



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

**38.** ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

a. গা বীণ গা অমৃত সঙ্গীত
শুকানে মেলক পাহি,
প্ৰবাস ভাগৰ আঁতৰি
পলাওক
মুখত ওলাওক হাঁহি ।

b. ফুল ফুলে, সৰি যায়,
শুকাই বননি,
বসন্তৰ কুঁহিপাতে ৰ’দত
লেৰেলে ।
তোমাৰ চিঠিয়ে প্ৰিয়ে
জানে কি মোহিনী,
নিতৌ নোহোৱা বাহি ন ন
ফুল মেলে ।

c. সাগৰ দেখিছা ?
দেখা নাই কেতিয়াও
ময়ো দেখা নাই
শুনিছোঁ তথাপি,
নীলিম সলিলৰাশি
বাধাহীন উৰ্মিমালা
আছে দূৰ দিগন্ত বিয়াপি ।

d. বাৰিষাৰ ৰাতি তোমাৰ
কবিক
মনত পৰেনে অৰুন্ধতী
সেমেকা পোহৰে
সোৰঁৰাই দিয়া
তোমাৰ চুলিৰ
আবেলি আবেলি গোন্ধ
মনত পৰেনে অৰুন্ধতী ?

i. নৱকান্ত বৰুৱা
ii. দেৱকান্ত বৰুৱা
iii. লক্ষ্মীনাথ বেজবৰুৱা
iv. হেমচন্দ্ৰ গোস্বামী

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | i | iii | iv |
| (B) | i | ii | iv | iii |
| (C) | iv | iii | i | ii |
| (D) | iii | iv | ii | i |

**39.** ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

a. ফুল
b. আহিনী
c. গৌৰী
d. দুৰ্গা

i. ডাৱৰ আৰু নাই
ii. দতাঁল হাতীৰ উঁয়ে খোৱা হাওদা
iii. পদুম কুঁৱৰী
iv. জীৱনৰ বাটত

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | iv | i | ii |
| (B) | ii | i | iii | iv |
| (C) | i | ii | iv | iii |
| (D) | iii | ii | i | iii |

**40.** ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

a. ভ্ৰমৰঙ্গ
b. আহাৰ
c. ৰূপালীম
d. মহাৰাজা

i. বাস্তৱবাদী
ii. লোকনাট্য ধৰ্মী
iii. ব্ৰেখ্‌টীয়
iv. ছেক্সপীয়েৰীয়

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | i | iii | iv |
| (B) | iv | iii | i | ii |
| (C) | i | ii | iv | iii |
| (D) | iii | iv | ii | i |

**41.** ‘ক’ স্তম্ভ ‘খ’ স্তম্ভ

a. ভাৱক ভাই ভজা ভগৱন্ত
ভক্তি ভাবে ।
ভগৱন্ত ভজেলে পৰম
গতি পাৱে ।।

b. এতিয়া কৰিলে কাল
ধেমালিত হানি,
বিদ্যা-ধন উপাৰ্জন কৰিবা
কাহানি ?

c. তাক এৰি সুন্দৰীক খেদন্ত
দুনাই ।
যেন মত্ত হস্তী হস্তিনীক
খেদি যায় ।।

d. ৰাতিপুৱা উঠি খাই তিনি
ছিলিম ভাং ।
বম্‌ বম্‌ বুলি বোপাই
টোপনিটো ভাং ।।

i. উপমা
ii. যমক
iii. অনুপ্ৰাস
iv. ৰূপক

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | iv | i | ii |
| (B) | i | iii | iv | ii |
| (C) | ii | i | iii | iv |
| (D) | iv | ii | i | iii |



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

**42.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

a. মণিদীপ — i. পদ্ম বৰকটকী

b. ৰংঘৰ — ii. মহেন্দ্ৰ বৰা

c. আমাৰ প্ৰতিনিধি — iii. চন্দ্ৰপ্ৰসাদ সইকীয়া

d. প্ৰকাশ — iv. বিৰিঞ্চিকুমাৰ বৰুৱা

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iv | iii | ii | i |
| (B) | ii | iii | i | iv |
| (C) | i | iv | iii | ii |
| (D) | ii | iv | i | iii |

**43.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

a. শিৱসাগৰ, ১৯৯৩ — i. লীলা গগৈ

b. মৰিগাঁও, ১৯৯৪ — ii. লক্ষ্মীনন্দন বৰা

c. সৰ্থেবাৰী, ১৯৯৫ — iii. ভূপেন হাজৰিকা

d. বোকাখাত, ১৯৯৬ — iv. হিতেশ ডেকা

| | a | b | c | d |
|---|---|---|---|---|
| (A) | ii | iii | iv | i |
| (B) | iii | i | iv | ii |
| (C) | i | iv | ii | iii |
| (D) | iv | iii | i | iii |

**44.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

a. এনেকৈয়ে দিন এনেকৈয়ে ৰাতি — i. হীৰেন ভট্টাচাৰ্য

b. যুদ্ধভূমিৰ কবিতা — ii. নীলমণি ফুকন

c. শইচৰ পথাৰ মানুহ — iii. কবীন ফুকন

d. ফুলি থকা সূৰ্যমুখী ফুলটোৰ ফালে — iv. সমীৰ তাঁতী

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | iv | i | ii |
| (B) | iv | iii | ii | i |
| (C) | i | iii | iv | ii |
| (D) | ii | i | iii | iv |

**45.** **'ক' স্তম্ভ** **'খ' স্তম্ভ**

a. প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্য, গোলোকচন্দ্ৰ গোস্বামী, উপেন্দ্ৰনাথ গোস্বামী, ৰমেশ পাঠক — i. অভিধান সংকলক

b. দীনেশচন্দ্ৰ গোস্বামী, ক্ষীৰধৰ বৰুৱা, শান্তনু তামুলী, ৰমেশচন্দ্ৰ গোস্বামী — ii. হাস্য-ব্যঙ্গ লেখক

c. মহেশ্বৰ নেওগ, গিৰিধৰ শৰ্মা, বাণীকান্ত শৰ্মা, সুমন্ত চলিহা — iii. ভাষাবিজ্ঞান সম্পৰ্কীয় গ্ৰন্থৰ লেখক -

d. কীৰ্তিনাথ হাজৰিকা ভদ্ৰ বৰা, লীলা গগৈ, কুমাৰ শ্ৰীমধুসুদন — iv. বিজ্ঞান-সাহিত্য লেখক

| | a | b | c | d |
|---|---|---|---|---|
| (A) | iii | ii | i | iv |
| (B) | ii | i | iv | iii |
| (C) | iii | iv | i | ii |
| (D) | i | iii | ii | iv |



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

তলত দিয়া কথাখিনি মনোযোগেৰে পঢ়ি তাৰ তলত দিয়া **46**-ৰ পৰা **50**-লৈ প্ৰশ্নকেইটাৰ শুদ্ধ উত্তৰ (A), (B), (C), (D)ৰ মাজৰ পৰা বাছি উলিওৱা ।

'নামঘোষা'ৰ ৰচনাকাল ৱিবেচনা কৰিব লগীয়া । সকলো মহান সাহিত্যৰ ওপৰতে কালৰ জটিল প্ৰভাৱবোৰৰ ছায়া পৰে । 'নামঘোষা'ৰো ঠায়ে ঠায়ে কালৰ প্ৰভাৱ ধৰিব পৰা যায় । 'নামঘোষা' ৰচনাৰ বহুত আগতেই শঙ্কৰদেৱৰ তিৰোভাৱ হয় । সাম্প্ৰদায়িক বিদ্বেষত ৰঘু ৰজাৰ হাতত নিগ্ৰহ ভোগ কৰি নিজ তত্বাৱধানত সজাই লোৱা আদৰৰ বৰপেটা থান এৰি থৈ গৈ মাধৱদেৱ তেতিয়া ভেলাডোৱাৰত প্ৰৱাস খাটি আছিল । কোচবিহাৰতো তেওঁৰ দিন নিৰুপদ্ৰৱে যোৱা নাছিল । তাতো তেওঁ খলৰ হাতত সময়ে সময়ে লাঞ্ছনা ভোগ কৰিব লগাত পৰিছিল । পাণ্ডিত্য, আভিজাত্য আৰু আধ্যাত্মিকতাৰ সম্মোহিনী গুণত যি মহাপুৰুষে ৰজা-প্ৰজা, শত্ৰু-মিত্ৰ সকলোকে এডাল ভক্তিৰ সূতাৰে মেৰাই লৈছিল, মাধৱদেৱৰ লগত তেতিয়া সেই সৰ্বতোমুখী প্ৰতিভাশালী গুৰুদেৱৰ শক্তি-প্ৰদায়িনী স্মৃতি মাথোন বৰ্তমান আছিল । সেইদেখি খল, সুচকসকলৰ হিংসা-দ্বেষ, নিগ্ৰহ-লাঞ্ছনা সকলোকে মাধৱদেৱে অকলশৰে বুকু পাতি সামৰি ল'ব লগাত পৰিছিল । তাত বাজেও নৱ-প্ৰৱৰ্তিত বৈষ্ণৱ-সম্প্ৰদায়ৰ ভিতৰত বেলেগ বেলেগ ভিন্ন মতে দেখা দিছিল । এই সন্ধি-ক্ষণত ৰচনা কৰা 'নামঘোষা' গ্ৰন্থক শঙ্কৰ স্মৃতি-মণ্ডিত মাধৱদেৱৰ পূৰ্ণব্ৰহ্ম-স্বৰূপ কৃষ্ণৰ প্ৰতি একান্তিকা ভক্তিৰ বিৰাট ঝঙ্কাৰ বুলিব পাৰি ।

'নামঘোষা'ত প্ৰধানতঃ তিনিটা ভাবৰ ধাৰা মিহলি হৈ বিশাল আনন্দ-সাগৰৰ ফালে প্ৰধাৱমান হৈছে-পুণ্য-শ্লোক শঙ্কৰ-স্মৃতি, মাধৱদেৱৰ আত্মলঘিমা আৰু কৃষ্ণ-ভক্তি-মাহাত্ম্য । কিন্তু হিমালয়ৰ নিভৃত শৃঙ্গৰ ওপৰত স্তুপীকৃত হৈ থকা এক অনন্ত তুহিনৰাশিয়েই গলি গৈ ভৈয়ামত নানান নদ-নদী-স্বৰূপে অৱতীৰ্ণ হোৱাৰ দৰে, এই তিনিও ধাৰাৰেই মূল কাৰণ হৈছে মাধৱদেৱৰ ৰসময়ী ভক্তিৰ : গভীৰ আৱেগ । ইংৰাজী কবিতাত ৰাজহাঁহ-জাতীয় এবিধ চৰাইৰ (swan) উল্লেখ পোৱা যায় । সি হেনো অন্তিম কালত নৈত উটি গৈ গীত গাই গাই গীততেই পমি গৈ মৰে । 'নামঘোষা' মাধৱদেৱৰ শেহ ৰচনা । ই তেওঁৰ তিৰোধানৰ বহুত আগতেই ৰচিত নহয় । ইয়াক 'পৰম আনন্দ সাগৰ'ত উটি যোৱা মাধৱদেৱৰ মহাপ্ৰাস্থানিক গীত বুলিব পাৰি - 'গুৰু ভৈলা তাত কৰ্ণধাৰ, কৃষ্ণ ভৈল অনুকূল বায়ু । 'গুৰু-স্মৃতি শিৰোগত কৰি, কৃষ্ণ-নাম হৃদয়ত ধৰি, 'নামঘোষা' মহাগীতৰ ভিতৰেদি হৃদয়ৰ একান্ত ভক্তি-ৰস ঢালি দি 'সমস্তসাক্ষিং: সদসদ্বিহীনং প্ৰয়াতি শুদ্ধং পৰমাত্মৰূপম্' (কৈৱল্যোপনিষৎ)



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

**46.** 'নামঘোষা'ই অসমীয়া জাতীয় সাহিত্যত গীতা, উপনিষদ আদিৰ ঠাই অধিকাৰ কৰি আছে ।

(A) অসমীয়া সাহিত্যত গীতা, উপনিষদ আদি পুথি পাবলৈ নাই । তাৰ ঠাইত 'নামঘোষা' পুথিক বহুৱা হৈছে ।

(B) সংস্কৃত সাহিত্যত গীতা-উপনিষদৰ যি স্থান, অসমীয়া সাহিত্যত নামঘোষাৰ সেই স্থান আৰু মৰ্যাদা ।

(C) যিহেতু নামঘোষাত প্ৰচুৰ সংস্কৃত শব্দ পোৱা যায়, সেয়েহে এইখনক অসমীয়া গীতা বা উপনিষদ বুলিব পাৰি ।

(D) গীতা, উপনিষদ অবিহনে জাতীয় সাহিত্য হ'ব নোৱাৰে । সেয়েহে নামঘোষাক অসমীয়া গীতা-উপনিষদ হিচাপে গ্ৰহণ কৰা হৈছে ।

**47.** পাণ্ডিত্য, আভিজাত্য আৰু আধ্যাত্মিকতাৰ সন্মোহিনী গুণত যি মহাপুৰুষে ৰজা-প্ৰজা, শত্ৰু-মিত্ৰ সকলোকে এডাল ভক্তিৰ সুতাৰে মেৰাই লৈছিল, মাধৱদেৱৰ লগত তেতিয়া সেই সৰ্বতোমুখী প্ৰতিভাশালী গুৰুদেৱৰ শক্তি-প্ৰদায়িনী স্মৃতি মাথোনে বৰ্তমান আছিল ।

(A) পাণ্ডিত্য, আভিজাত্য আৰু আধ্যাত্মিকতাৰ সন্মোহিনী গুণত ৰজা-প্ৰজা, শত্ৰু-মিত্ৰ সকলোকে এডাল ভক্তিৰ সুতাৰে মেৰাই লোৱাজন আছিল মাধৱদেৱ ।

(B) পাণ্ডিত্য, আভিজাত্য আৰু আধ্যাত্মিকতাৰ সন্মোহিনী গুণেৰে ৰজা-প্ৰজা, শত্ৰু-মিত্ৰ সকলোকে এডাল ভক্তিৰ সুতাৰে সুৰাই মেৰাই লৈছিল মহাপুৰুষ শঙ্কৰদেৱ ।

(C) মাধৱদেৱৰ বাবে তেওঁৰ গুৰুদেৱ শঙ্কৰদেৱ আছিল কেৱল স্মৃতি মাথোনে। মাধৱদেৱে গুৰুৰ অবৰ্তমানতে তেওঁৰ শিষ্যত্ব গ্ৰহণ কৰিছিল ।

(D) গুৰুৰ যি গুণ তেওঁৰ শিষ্যয়ো সেই গুণ লাভ কৰে । প্ৰতিভাশালী গুৰুৰ শিষ্যও প্ৰতিভাশালী হয় ।

**48.** 'নামঘোষা'ত প্ৰধানত: তিনিটা ভাবৰ ধাৰা মিহলি হৈ বিশাল আনন্দ-সাগৰৰ ফালে প্ৰধাৱমান হৈছে - পুণ্যশ্লোক, শঙ্কৰ স্মৃতি, মাধৱদেৱৰ আত্মলঘিমা আৰু কৃষ্ণ-ভক্তি-মাহাত্ম্য ।

(A) মাধৱদেৱ কায়িকভাৱে গুৰু শঙ্কৰতকৈ কৃশদেহী-আছিল । সেইকাৰণে-তেওঁৰ আত্মলঘিমা ভাব প্ৰবল আছিল । শঙ্কৰদেৱক তেওঁ গুৰু হিচাপে স্বীকাৰ কৰাৰ কাৰণ হ'ল শঙ্কৰে তেওঁৰ জীৱিকা অৰ্জনৰ পথ দেখুৱাই দিছিল । ধৰ্ম প্ৰচাৰ তেওঁৰ বাবে জীৱিকা আৰ্জন পথ আছিল ।

(B) মাধৱদেৱে নামঘোষাত নিজকে শঙ্কৰদেৱতকৈও অধিক প্ৰতিভাশালী, আত্মাভিমানী আৰু উদাৰ ব্যক্তি হিচাপে প্ৰক্ষেপ কৰিছে । ইয়াত তেওঁ ভক্তিক তুচ্ছ স্থান দি নিজ গৌৰৱ-গৰিমা প্ৰকাশ কৰিছে ।

(C) নামঘোষাত সন্নিবিষ্ট - এহেজাৰ ঘোষাক প্ৰধানকৈ তিনিটা ভাগত ভগাব পাৰি - এভাগ ঘোষা আছে - শঙ্কৰদেৱৰ প্ৰতি শ্ৰদ্ধাজ্ঞাপক, আন এভাগত - মাধৱদেৱে নিজকে, তুচ্ছৰো তুচ্ছ হিচাপে পৰিচয় দিছে আৰু তৃতীয় এভাগত ভক্তিধৰ্মৰ গূঢ়াৰ্থ স্পষ্ট কৰা ঘোষা সন্নিবিষ্ট কৰা হৈছে ।

(D) নামঘোষাখন প্ৰধানত : তিনিটা খণ্ডত বিভক্ত । প্ৰথম খণ্ডটোৰ নাম পুণ্যশ্লোক শঙ্কৰদেৱ, দ্বিতীয় খণ্ডটোৰ নাম আত্মলঘিমা আৰু তৃতীয় খণ্ডটোৰ নাম ভক্তি-মাহাত্ম্য ।



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

**49.** ইয়াক ‘পৰম আনন্দ সাগৰ’ত উটি যোৱা মাধৱদেৱৰ মহাপ্ৰাস্থানিক গীত বুলিব পাৰি - ‘গুৰু ভৈলা তাত কৰ্ণধাৰ, কৃষ্ণ ভৈল অনুকূল বায়ু ।’

(A) মাধৱদেৱে নামঘোষাত অন্তৰ্ভূক্ত ‘গীত’বোৰ গাই গাই এখন মহাসাগৰত পাৰি দিছিল । সেইখন নাৱৰ মূল কাণ্ডাৰীজন আছিল তেওঁৰ গুৰু শঙ্কৰদেৱ ।

(B) মাধৱদেৱ এখন ‘পৰম সাগৰ’ত উটি গৈছিল । যেই অৱস্থাত তেওঁৰ গুৰু শঙ্কৰদেৱে উদ্ধাৰ কৰিছিল ।

(C) নামঘোষা মাধৱদেৱৰ মৃত্যুৰ অব্যৱহৃত পূৰ্বৰ ৰচনা । সেয়েহে এইখনিক তেওঁৰ মহাপ্ৰাস্থানিক গীত বুলিব পাৰি ।

(D) গুৰু সকলেই হৈছে-মানুহৰ জীৱন-তৰীৰ কাণ্ডাৰী । কৃষ্ণনাম স্মৰণ কৰি এই তৰীত উঠি সমুদ্ৰত পাৰি দিব পাৰি ।

**50.** উদ্ধৃত পাঠাংশৰ পৰা তলৰ (A), (B), (C), (D) এই চাৰিটা সিদ্ধান্ত কৰা হৈছে । ইয়াৰে শুদ্ধ সিদ্ধান্তটো বাছি উলিওৱা ।

(A) (i) শঙ্কৰদেৱৰ মৃত্যুৰ পাছত নামঘোষা ৰচিত হৈছিল ।
(ii) নামঘোষা মাধৱদেৱৰো শেহ বয়সৰ ৰচনা ।
(iii) কৃষ্ণ পূৰ্ণব্ৰহ্মস্বৰূপ । তেওঁৰ প্ৰতি ঐকান্তিক ভক্তিৰ প্ৰকাশ নামঘোষা ।

(B) (i) মাধৱদেৱে নামঘোষাৰ গীতবোৰ গাই গাই মৃত্যুক বৰণ কৰিছিল ।
(ii) নামঘোষাখন ৰচনা কৰি মাধৱদেৱে নিজৰ গুৰুক অৰ্পণ কৰিছিল ।
(iii) মাধৱদেৱে গুৰুৰ শত্ৰু সকলৰ ওপৰত প্ৰতিশোধ লৈছিল ।

(C) (i) মাধৱদেৱ আৰু শঙ্কৰদেৱ দুয়ো লগলাগি নামঘোষা ৰচনাত হাত দিছিল ।
(ii) শঙ্কৰদেৱে নামঘোষাৰ দৰে এখন শাস্ত্ৰ ৰচনা কৰিবলৈ - মাধৱদেৱক আজ্ঞা দিছিল ।
(iii) শঙ্কৰদেৱে আধৰুৱাকৈ এৰি যোৱা নামঘোষাখন মাধৱদেৱে সম্পূৰ্ণ কৰিছিল ।

(D) (i) হিমালয়ৰ নিভৃত কোণত তপস্যা কৰি থাকোঁতে মাধৱদেৱে ‘নামঘোষা’খন লিখিবলৈ আদেশ পাইছিল ।
(ii) ‘নামঘোষা’ ৰচনা কৰাৰ আগেয়ে মাধৱদেৱে শঙ্কৰদেৱৰ লগত আলোচনা কৰি লৈছিল ।
(iii) ‘নামঘোষা’ গ্ৰন্থখন ৰচনা কৰি মাধৱদেৱে তেওঁৰ গুৰুৰ নামত উছৰ্গা কৰিছিল ।



Latest Sarkari Jobs, Govt Exam Results, Vacancies and updates on one click
Know More

prepp

# Latest Sarkari jobs, Govt Exam alerts, Results and Vacancies

- Latest News and Notification
- Exam Paper Analysis
- Topic-wise weightage
- Previous Year Papers with Answer Key
- Preparation Strategy & Subject-wise Books

To know more **Click Here**

www.prepp.in